জনসংযোগ, অসম প্ৰেছ বাৰ্তা নং ঃ ২১২

# গুৱাহাটীৰ নুনমাটিত নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ উদ্বোধন

**দিছপুৰ, ১১ আগষ্ট ঃ** দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাই আজি গুৱাহাটীৰ নুনমাটিৰ ২ নং মঠঘৰীয়াৰ বি জি তিনিআলিত এটা নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ উদ্বোধন কৰে। আজিৰ এই নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰৰ মুকলি অনুষ্ঠানত সামাজিক ন্যায় আৰু সবলীকৰণৰ সঞ্চালক কিশোৰ ঠাকুৰীয়া, ৰাজ্যিক মাদক দ্ৰব্য বিৰোধী আৰু নিবাৰণী পৰিষদৰ অধ্যক্ষা মৃদুলা বৰকাকতি, উপাধ্যক্ষ জিতু বৰগোহাঁই, সদস্য অনুপম ৰোহিত উপস্থিত থাকে। কেন্দ্ৰটিৰ মুকলিৰ পিছতে বিভাগীয় বিষয়া আৰু কৰ্মচাৰীসকলৰ এখন সভা অনুষ্ঠিত হয়। উল্লেখ্য যে ৰাজ্যিক মাদক দ্ৰব্য বিৰোধী আৰু নিবাৰণী পৰিষদৰ অধ্যক্ষা মৃদুলা বৰকাকতি আৰু মুখ্য কাৰ্যবাহী বিষয়া কুঞ্জলতা লাচনে ৰাজ্যখনৰ তিনিচুকীয়া, ডিব্ৰুগড়, গোলাঘাট, শোণিতপুৰ, বৰপেটা আৰু কামৰূপ মহানগৰৰ গুৱাহাটীত ছটা নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ মুকলি কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

**সু.মি.ক/প্ৰ.কু.দ./১১-০৮-২০২২**